**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 11-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। হাতী-মানুহৰ সংঘাত অধিক হোৱা আঠখন জিলাত গজমিত্ৰ আঁচনি ৰূপায়নত মন্ত্ৰীসভাৰ অনুমোদন।

২। ধন পৰিশোধ কৰিব নোৱাৰা ৰোগীৰ মৃতদেহ আৱদ্ধ কৰি ৰখা ব্যক্তিগত চিকিৎসালয়ৰ বিৰুদ্ধে মন্ত্ৰীসভাৰ কঠোৰ স্থিতি।

৩। কাৰ্বি আংলং ভ্ৰমণৰ আজি দ্বিতীয়দিনা ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ উন্নয়নমূলক আঁচনিৰ মূল্যায়ন।

৪। ৰাজ্যত ভুৱা চিকিৎসক প্ৰতিৰোধী অভিযান অব্যাহত। জানুৱাৰীৰ পৰা মুঠ ১০ জনক গ্ৰেপ্তাৰ।

*আৰু*

৫। লৰ্ডছ্ টেষ্টৰ আজি দ্বিতীয়দিনা ইংলেণ্ডৰ চাৰিটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা খেল আৰম্ভ।

oooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি হাতী-মানুহৰ সংঘাত হোৱা আঠখন জিলা ক্ৰমে গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা, শোণিতপুৰ, গোলাঘাট, যোৰহাট আৰু বিশ্বনাথত গজমিত্ৰ আঁচনি ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। এই আঁচনিৰ অধীনত প্ৰভাৱিত গাঁওসমূহত সম্প্ৰদায় ভিত্তিত স্বেচ্ছাসেৱী নিৰীক্ষণ আৰু দ্ৰুত সঁহাৰি গোট গঠনৰ প্ৰস্তাৱ দিয়া হৈছে। এই গোটসমূহ আঠজনীয়া হ'ব। ইয়াৰ উপৰি বনৰীয়া হাতীয়ে যাতে পৰ্যাপ্ত খাদ্য লাভ কৰে সেই উদ্দেশ্যে হাতী-মানুহৰ অধিক সংঘাত হোৱা স্থানসমূহত বাঁহ গছ, নেপিয়াৰ ঘাঁহ আদি ৰোপণ কৰা হ'ব।

মন্ত্ৰীসভাই পহিলা অক্টোবৰৰ পৰা প্ৰযোজ্য হোৱাকৈ গাঁও প্ৰধানসকলৰ দৰমহা বৰ্তমানৰ ৯ হাজাৰ টকাৰ পৰা ১৪ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। বনাঞ্চলৰ গাঁৱৰ গাঁও প্ৰধানসকলেও এই বৰ্ধিত দৰমহা লাভ কৰিব। ২০২৫-২৬ বৰ্ষৰ বাজেটত কৰা ঘোষণা অনুযায়ী এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মন্ত্ৰীসভাই ৰাজ্যৰ বিভিন্ন সত্ৰত বাস কৰা উদাসীন ভকতসকলক মাহিলী বৃত্তি হিচাপে পোন্ধৰশ টকাৰ বিত্তীয় সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলৰ পাৰিতোষিক ক্ৰমে আঠ হাজাৰ আৰু চাৰি হাজাৰ টকালৈ বৃদ্ধিত অনুমোদন দিয়া হৈছে।

মন্ত্ৰীসভাই পহিলা নৱেম্বৰৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলক শিক্ষা সামগ্ৰী ক্ৰয়ৰ বাবে প্ৰতি মাহে ৩০০ টকাকৈ প্ৰদানৰ উদ্দেশ্যে প্ৰেৰণা আঁচনি ৰূপায়ণতো অনুমোদন জনাইছে।

কালিৰ বৈঠকত সৰ্থেবাৰীৰ কাঁহ শিল্পীসকলে প্ৰদান কৰা জি এছ্ টিৰ ৰাজ্য চৰকাৰৰ অংশ ওভোতাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই ব্যক্তিগত চিকিৎসালয়ৰ বিৰুদ্ধে কেতবোৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চিকিৎসা ব্যয় পৰিশোধ কৰিব নোৱাৰা কোনো ব্যক্তিৰ মৃতদেহ ব্যক্তিগত চিকিৎসালয় কৰ্তৃপক্ষই পৰিয়ালৰ লোকক গতাই নিদিয়াকৈ থাকিব নোৱাৰিব। চিকিৎসালয় কৰ্তৃপক্ষই মৃতদেহ ওভোতাই দিবলৈ

অস্বীকাৰ কৰিলে তেনে লোকৰ পৰিয়ালে ১০৪ নম্বৰত ফোন কৰি অথবা স্থানীয় থানাত অৱগত কৰিলে আৰক্ষীয়ে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে এটা মৃতদেহ চাৰি ঘণ্টাতকৈ অধিক সময় আৱদ্ধ কৰি ৰাখিলে তেনে চিকিৎসালয়ৰ অনুজ্ঞাপত্ৰ তিনি মাহৰ পৰা ছমাহলৈ বাতিল কৰা হ'ব আৰু ৫ লাখ টকা পৰ্যন্ত জৰিমণা বিহা হ'ব।

বাইট

ইয়াৰ উপৰি মন্ত্ৰীসভাই হোজাইত ৰবীন্দ্ৰ নাথ টেগৰ ইউনিভাৰ্ছিটীৰ নাম ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয় নামেৰে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে মন্ত্ৰীসভাই লখিমপুৰ জিলাৰ মৰনৈ-বেবেজীয়া আৰু বেবেজীয়া নামৰ গাঁও দুখন জনজাতীয় আবেষ্টনী আৰু উন্নয়ন খণ্ডৰৰ আওতাৰ পৰা মুক্ত কৰাৰ সিদ্ধান্ত লয়। ১ লাখতকৈ অধিক জনসংখ্যা থকা পৌৰসভাসমূহত অভিযন্তা পদ সৃষ্টিৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়।

oooooooo

দুদিনীয়া ভ্ৰমণসূচীৰে কাৰ্বি আংলঙলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বুজ লোৱাৰ উদ্দেশ্যে জিলাখনৰ কেইবাটাও অঞ্চল ভ্ৰমণ কৰিব। তেওঁ ডিফু চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ লংনিত, মহংডিজুৱা আৰু মাঞ্জাত জলজীৱন মিছন আৰু অন্যান্য উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ বুজ ল'ব। উল্লেখযোগ্য যে, ৰাজ্যপালগৰাকীয়ে কালি কাৰ্বি আংলঙত উপস্থিত হৈ জিলাখনৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতে মত বিনিময় কৰে। পদ্মশ্ৰী সন্মানপ্ৰাপক, আগশাৰীৰ খেলুৱৈ, সমাজকৰ্মী আৰু স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে হোৱা মত বিনিময়ত ৰাজ্যপালগৰাকীয়ে কয়, যে প্ৰকৃত উন্নয়নে আন্তঃগাঁথনিগত প্ৰগতিকে নহয়, বৰং ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰকো সূচায়। তেওঁ কয়, যে উন্নয়নৰ সৈতে পৰম্পৰা, ভাষা আৰু সংস্কৃতিক বৰ্তাই ৰাখিলেহে প্ৰকৃত আৰু অৰ্থবহ প্ৰগতি সম্ভৱপৰ হৈ উঠে। পাছত ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাং, কাৰ্যবাহী সদস্য আৰু পৰিষদৰ মুখ্য অংশীদাৰসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে তেওঁলোকক অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়।

oooooooo

ৰাজ্যত ভুৱা চিকিৎসক প্ৰতিৰোধী অভিযান অব্যাহত আছে। কালিৰ দিনটোত এনে অভিযানৰ অধীনত মুঠ পাঁচজন চিকিৎসকক গ্ৰেপ্তাৰ কৰা হয়। যোৰহাট আৰক্ষীয়ে বাহানাৰ অমৰজ্যোতি নাথ আৰু জেইল ৰোডৰ অশোক কুমাৰ গগৈক গ্ৰেপ্তাৰ কৰে। ধৃত দুয়োজন হোমিঅ' চিকিৎসক যদিও মেডিচিন বিশেষজ্ঞ হিচাপে ৰোগীক চিকিৎসা কৰি আহিছে। আৰক্ষীয়ে ভুৱা চিকিৎসক দুজনক জেৰা কৰি আছে। একেদৰে নগাঁৱৰ চিকনিৰ পৰা পংকজ দাস নামৰ এজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হয়। জুৰীয়া দগাঁৱতো কালি আৰক্ষীয়ে বিমল সূত্ৰধৰ নামৰ এজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। ধৃত চিকিৎসকজনে দগাঁৱৰ মাহমুদা মেডিকেল হলত চিকিৎসক বুলি পৰিচয় দি ভুৱা ডিগ্ৰীৰে দীৰ্ঘদিনে শিশুৰ চিকিৎসা চলাই আহিছিল। ৰাইজৰ অভিযোগৰ ভিত্তিতে আৰক্ষীয়ে অভিযান চলাই চিকিৎসকজনক গ্ৰেপ্তাৰ কৰে।

ভুৱা চিকিৎসক প্ৰতিৰোধী কোষৰ বিষয়া ডাঃ অভিজিৎ নেওগে ৰাজ্যত জানুৱাৰীৰ পৰা মুঠ ১০ জন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে বিগত ৫-৬ বছৰত ৰাজ্যৰ ভিন্ন স্থানৰ পৰা ৪৬ জন ভুৱা চিকিৎসক গ্ৰেপ্তাৰ হোৱা বুলি জানিবলৈ দিছে। ভুৱা চিকিৎসক প্ৰতিৰোধী অভিযান সন্দৰ্ভত ডাঃ অভিজিৎ নেওগে এইদৰে কয় –

বাইট

০০০০০০০০

ৰাজ্যৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক বিভাগৰ সৌজন্যত আৰু খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গৱেষণা পত্ৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ৰাজ্যিক ভিত্তিক এই গৱেষণা পত্ৰ প্ৰতিযোগিতাত ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠান আৰু গৱেষণা প্ৰতিষ্ঠানৰ শিক্ষাবিদ আৰু গৱেষক ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। 'অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিত প্ৰকৃতিৰ প্ৰভাৱ' বিষয়ক এই প্ৰতিযোগিতাৰ বাবে অহা ১৪ আগষ্টৰ ভিতৰত গৱেষণা পত্ৰৰ সংক্ষিপ্ত টোকা দাখিল কৰিব লাগিব। প্ৰতিযোগিতাৰ বিতং নিয়মাৱলী আৰু নিৰ্ধাৰিত আবেদন পত্ৰ ITFC.ASSAM.GOV.IN আৰু ITFCDIRECTORATE.ASSAM.GOV.IN ৱেবছাইটৰ পৰা ডাউনলোড কৰিব পৰা যাব। আগ্ৰহী শিক্ষক-শিক্ষয়িত্ৰী আৰু গৱেষক ছাত্ৰ-ছাত্ৰীসকলে researchitfc2025@gmail.com লৈ ই-মেইল কৰিও আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰিব। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা শিক্ষাবিদ তথা গৱেষক শিক্ষাৰ্থীক ৭৫ হাজাৰ টকা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। দ্বিতীয় স্থান প্ৰাপকক ৫০ হাজাৰ আৰু তৃতীয় স্থান প্ৰাপকক ৩০ হাজাৰ টকা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত কালি আৰম্ভ হোৱা গুৱাহাটী শিশু মহোৎসৱত পশ্চিমবংগৰ বিশিষ্ট লেখক-সাহিত্যিক তথা শিশু আলোচনী **আনন্দমেলা**ৰ সম্পাদক সিজাৰ বাক্সি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। ভাষণত শ্ৰী বাক্সিয়ে কয়, যে শিশু মহোৎসৱ যথাৰ্থতে এক অভিনৱ কাৰ্যসূচী। গ্ৰন্থমেলা তথা শিশু উপযোগী বৰ্ণিল কাৰ্যসূচীৰ সমাহাৰেৰে শিশুৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে আয়োজন কৰা এই অনুষ্ঠান ভৱিষ্যতৰ বাবে সুফলদায়ক হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। অনুষ্ঠানত বিশিষ্ট শিশু সাহিত্যিক ড০ শান্তনু তামুলীয়ে কয়, যে শিশুসকল একোটা ফুলৰ কলিৰ দৰে আৰু তেওঁলোকক নিজৰ নিজৰ ৰং-ৰূপ আৰু বুদ্ধিমত্তাৰে জাতিস্কাৰ কৰাটো সমাজৰ নৈতিক দায়িত্ব। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই মহোৎসৱৰ উদ্দেশ্য ব্যাখ্যা কৰি কয়, যে অসম প্ৰকাশন পৰিষদে শিশুসকলৰ সামগ্ৰিক বিকাশৰ বাট মুকলি কৰাৰ উদ্দেশ্যে প্ৰথমবাৰলৈ গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰিছে। মহোৎসৱত নাটক, নৃত্য, মুকাভিনয়, সুকুমাৰ কলাৰ কৰ্মশালাত কালি প্ৰথমদিনাই শতাধিক শিশুৱে অংশগ্ৰহণ কৰে। বিশিষ্ট মুকাভিনয় শিল্পী ময়নুল হক, ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতনামা শিল্পী কমল নাথ, নাট্যকাৰ পৰিচালক ৰবিজিতা গগৈ, নাট্যশিল্পী ৰাজীৱ কুমাৰ সাউদ, সুকুমাৰ কলাৰ বিশিষ্ট শিল্পী দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকাৰ লগতে নৃত্য শিল্পী প্ৰিয়ংকা কাশ্যপে কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি শিশুসকলক নিৰ্দিষ্ট বিষয়ৰ শিক্ষাদান কৰে। আজি বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাক সমল ব্যক্তিৰূপে আমন্ত্ৰণ জনোৱা হৈছে। উল্লেখযোগ্য যে এই মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা শিশু গ্ৰন্থ মেলাত শিশুসকলে বিভিন্ন প্ৰকাশন গোষ্ঠীৰ শিশু উপযোগী গ্ৰন্থ ৰেহাই মূল্যত ক্ৰয় কৰিব পাৰিব।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন

অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০০

এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফীৰ বাবে হোৱা টেষ্ট ক্ৰিকেট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন খেলত আয়োজক দেশ ইংলেণ্ডে চাৰিটা উইকেটৰ বিনিময়ত প্ৰথম ইনিংছত কালি সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত খেল আৰম্ভ হ'ব।

টছত জিলি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত ভাৰতৰ নীতিশ কুমাৰ ৰেড্ডীয়ে প্ৰথমতে দুটা উইকেট দখল কৰি ঘৰুৱা দলটোক শ'লথেকত পেলায়। নীতিশ কুমাৰে একেটা অভাৰতে অ'পেনাৰ বেন ডাকেট আৰু জেক ক্ৰ'লিক আউট কৰে। ইয়াৰ পাছত জ' ৰুট আৰু অ'লি প'পে ১০৯ ৰান সংগ্ৰহ কৰি দলক শক্তিশালী স্থিতিত উপনীত কৰায়। পাছত ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজা আৰু যশপ্ৰীত বুমৰাই এটাকৈ উইকেট দখল কৰে।

পাঁচখনীয়া শৃংখলাটো সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে। ইংলেণ্ডে হেডিংলিত অনুষ্ঠিত প্ৰথমখন খেলত পাঁচ উইকেটত জয়লাভ কৰিছে আৰু ভাৰতে এজবেষ্টনত অনুষ্ঠিত দ্বিতীয়খন খেলত ৩৩৬ ৰান বিজয় সাব্যস্ত কৰে। পিঠি আৰু কিলাকুটিৰ আঘাটৰ বাবে চাৰি বছৰৰ বিৰতিৰ অন্তত ইংলেণ্ডৰ বেগীবলাৰ জ'ফ্ৰা আৰ্চাৰে এই খেলখনৰ জৰিয়তে টেষ্ট ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তন কৰিছে। ভাৰতৰ ১১ জনীয়া দলত প্ৰসিদ্ধ কৃষ্ণৰ ঠাইত যশপ্ৰীত বুমৰাক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাকৰিকাকতসমূহত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। আগন্তুক লোকপিয়লত বংগমূলৰ মূছলমানসকলে অসমীয়া ভাষা তেঁওলোকৰ মাতৃভাষা নহয় বুলি লিপিবদ্ধ কৰিবলৈ মাইনুদ্দিন আলী নামৰ এবিএমছুৰ এজন স্থানীয় নেতাই ৰাজহুৱাকৈ আহ্বান জনোৱাৰ পাছতে নেতাগৰাকীক সংগঠনটোৰ পৰা বহিস্কাৰ কৰা হৈছে। অসমীয়া ভাষাক লৈ দিয়া এনে মন্তব্যই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসমত অসমীয়া ভাষা থাকিবই, ভাষা কাৰো ব্লেকমেইলিঙৰ চিকাৰ হব নোৱাৰে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা বাতৰিটোক আন কেবাখনো কাকতৰ লগতে অসমীয়া খবৰ,দৈনিক জনমভূমি, দি চেন্টিনেল, দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেবিনেট বৈঠকত কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা বাতৰিটোৰেও ভিন ভিন শিৰোনামেৰে দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। কালি চাপৰৰ উচ্ছেদস্থলীত প্ৰতিবাদ সাব্যস্ত কৰা AIUDFদলৰ ৯গৰাকী বিধায়কক আৰক্ষীয়ে আটক কৰি পাছত মোকলাই দিয়ে। এখন আলোকচিত্ৰসহ এই বাতৰিটোৱে দৈনিক অগ্ৰদূত কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। অসম, নাগালেণ্ড আৰু মণিপুৰৰ বানপীড়িতসকলক সহায়ৰ বাবে ভাৰতীয়

সেনাই ৪০টা আশ্ৰয় শিবিৰ স্থাপন কৰা এটা বাতৰিয়ে দি টাইমছ অৱ ইণ্ডিয়া কাকতত শিৰোনাম দখল কৰিছে। কালি কেন্দ্ৰই অসমৰ বান আৰু ভূমিস্খলনৰ সাহাৰ্যৰ বাবে ৩৭৫কোটি টকাৰ বিত্তীয় সাহাৰ্য প্ৰদানৰ প্ৰস্তাৱত অনমোদন জনাইছে। দি আচাম ট্ৰিবিউন কাকতত বাতৰিটো প্ৰকাশ কৰা হৈছে। আগন্তক বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে উজনিত নতুন মুখৰ সন্ধান কৰিছে বুলি অসমীয়া প্ৰতিদিন কাকতে এটা অনুসন্ধানমূলক বাতৰি আচুতীয়াকৈ পৰিৱেশন কৰিছে। কালি প্ৰধান শিক্ষকেৰে মত বিনিময় অনুষ্ঠানত দৰমহাৰ অনিয়মক লৈ প্ৰশ্ন কৰা এজন শিক্ষকে মোবাইলেৰে ভিডিঅ কৰাত মুখ্যমন্ত্ৰীয়ে ধমক দিয়া বাতৰিটোৱে আমাৰ অসম কাকতৰ প্ৰতম পৃষ্ঠাত শিৰোনাম দখল কৰিছে। এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাঁও।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

**সমাপ্ত**